**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-04-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

দ্বিতীয় পৰ্যায়ত কাইলৈ ৰাজ্যৰ ৫ টা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। কাইলৈ পুৱা ৭ বজাৰ পৰা বিয়লি ৫ বজালৈ দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। সমষ্টিকেইটাৰ অন্তৰ্গত জিলাসমূহৰ প্ৰশাসন তথা নিৰ্বাচন বিভাগসমূহে ভোটগ্ৰহণ প্ৰক্ৰিয়া স্বচ্ছ, শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগ্ৰহণ কেন্দ্ৰসমূহত পৰ্যাপ্ত সুৰক্ষা কৰ্মী নিয়োগ কৰাৰ লগতে স্পৰ্শকাতৰ হিচাপে চিহ্নিত ভোটকেন্দ্ৰসমূহত সুৰক্ষা ব্যৱস্থা অধিক কটকটীয়া কৰি তোলা হৈছে। তদুপৰি প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰত ভোটদানৰ সময়ত ভোটদাতাসকলৰ সুবিধা হোৱাকৈ ব্যৱস্থাসমূহ ৰখাৰ দিহা কৰা হৈছে। বিশেষকৈ দিব্যাংগ ভোটদাতাৰ বাবে ৰেম্প, প্ৰসূতি মাতৃসকলৰ বাবে শিশুক দুগ্ধপান কক্ষৰ ব্যৱস্থা, খোৱাপানী, শৌচাগাৰ, বিদ্যুৎ যোগানকে ধৰি সকলো ব্যৱস্থা লোৱা হৈছে। প্ৰতিটো ভোটকেন্দ্ৰৰ বাবে নিয়োজিত বিষয়া-কৰ্মীসকল নিজ নিজ কেন্দ্ৰত ই ভি এম সহ উপস্থিত হৈছে।

দৰং-ওদালগুৰি সমষ্টিৰ অন্তৰ্গত তামুলপুৰ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত ৪৭০ টা কেন্দ্ৰত ভোটগ্ৰহণত নিয়োজিত বিষয়া-কৰ্মচাৰীসকল আজি বাক্সা জিলাৰ সদৰ মুছলপুৰৰ পৰা প্ৰয়োজনীয় সামগ্ৰীসহ ৰাওনা হয়। এই নিৰ্বাচনৰ বাবে তামুলপুৰ বিধানসভা সমষ্টিত এহেজাৰ ১৮৪ আৰু গোৰেশ্বৰত এহেজাৰ ১৬০ গৰাকীকে ধৰি মুঠ দুহেজাৰ ২৪৪ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়া নিয়োগ কৰা হৈছে। তদুপৰি নিৰ্বাচন নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে কটকটীয়া নিৰাপত্তা ব্যৱস্থা কৰা হৈছে বুলি জিলা নিৰ্বাচনী বিষয়াই সদৰি কৰিছে। একেদৰে নগাঁও লোকসভা সমষ্টিৰ কাইলৈ হ'বলগীয়া ভোটগ্ৰহণ প্ৰক্ৰিয়াত নিয়োজিত বিষয়া-কৰ্মচাৰী, আৰক্ষী তথা নিৰাপত্তাৰক্ষীসকল নিজ নিজ গন্তব্য স্থানত উপস্থিত হৈছেগৈ। ইপিনে, ডিফু সমষ্টিৰ অন্তৰ্গত কাৰ্বি আংলং নিৰ্বাচনী জিলাত ভোটগ্ৰহণৰ দায়িত্বত নিয়োজিত বিষয়াসকল সংশ্লিষ্ট ভোটগ্ৰহণ কেন্দ্ৰত উপস্থিত হৈছে। জিলাখনৰ ২০ টা ভোটগ্ৰহণ কেন্দ্ৰ সম্পূৰ্ণৰূপে মহিলা বিষয়াৰ দ্বাৰা পৰিচালনা কৰা হ'ব। ডিফু সমষ্টিৰ অন্তৰ্গত হাফলং বিধানসভা সমষ্টিৰ ভোটগ্ৰহণৰ বাবেও ১৬৮ গৰাকী বিষয়া উপস্থিত হৈছে। নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত মৰিগাঁও নিৰ্বাচনী জিলাৰ ভোটগ্ৰহণকাৰী বিষয়াসকল আজি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ খেল পথাৰৰ পৰা সংশ্লিষ্ট কেন্দ্ৰসমূহলৈ সা-সামগ্ৰীসহ ৰাওনা হয়।

অসম আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে জটিল ভোটকেন্দ্ৰসমূহত অৰ্ধ-সামৰিক বাহিনীৰ জোৱানক সুৰক্ষাৰ দায়িত্ব অৰ্পণ কৰা হৈছে আৰু ৪ হাজাৰ ৭৪৫ টা ভোটকেন্দ্ৰত ৱেব কাষ্টিঙৰ ব্যৱস্থা কৰা হৈছে। লগতে এই কেন্দ্ৰসমূহত মাইক্ৰ' অবজাৰ্ভাৰ নিয়োগ কৰা হৈছে।

ইপিনে, নিৰ্বাচনৰ সময়ছোৱাত সীমান্ত অঞ্চলত সুৰক্ষাৰ দিশটোত বিশেষ গুৰুত্ব আৰোপ কৰি ৰাজ্যখনৰ আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তসমূহ ছীল কৰি দিয়া হৈছে। এই সময়ছোৱাত অঞ্চলসমূহত জনসাধাৰণৰ আহ-যাহ নিষিদ্ধ কৰাৰ লগতে যিকোনো কূটাঘাতমূলক কাৰ্যকলাপ প্ৰতিৰোধ কৰাৰ বাবে চোকা দৃষ্টি ৰখা হৈছে।

উল্লেখযোগ্য যে দ্বিতীয় পৰ্যায়ৰ বাবে কাইলৈ আউটাৰ মণিপুৰ লোকসভা সমষ্টিৰ বাকী অংশৰ উপৰি ১৩খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

oooooooo

বিশ্ববিদ্যালয় অনুদান আয়োগে এটা নিৰ্দেশনাযোগে শিৱসাগৰ জিলাৰ অগ্ৰণী উচ্চ শিক্ষানুষ্ঠান বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ক স্বতন্ত্ৰ মহাবিদ্যালয় হিচাপে ঘোষণা কৰিছে। আয়োগে এই সন্দৰ্ভত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ

পঞ্জীয়কলৈ নিৰ্দেশনা পত্ৰ প্ৰেৰণ কৰিছে। ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰকাশ কৰা এটা বাৰ্তাত বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ে স্বতন্ত্ৰ মহাবিদ্যালয়ৰ মৰ্যাদা লাভ কৰাত আনন্দ প্ৰকাশ কৰাৰ লগতে মহাবিদ্যালয়খনৰ অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীলৈ অভিনন্দন জ্ঞাপন কৰে। উল্লেখযোগ্য যে শিৱসাগৰ জিলাৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ প্ৰচেষ্টাত ১৯৮১ চনত স্থাপিত হোৱা এই মহাবিদ্যালয়খনে জিলাখনত গুণগত শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ক্ষেত্ৰত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰি আহিছে।

০০০০০০০

ৰাষ্ট্ৰীয় আইনসেৱা প্ৰাধিকৰণৰ নিৰ্দেশমৰ্মে মাজুলী জিলা আইনসেৱা প্ৰাধিকৰণৰ উদ্যোগত জিলাখনত অহা ১৫ মে'ত লোক আদালতৰ আয়োজন কৰা হৈছে। তদুপৰি যোৱা ১০ এপ্ৰিলৰ পৰা অহা ১০ মে'লৈকে মাজুলীত প্ৰাক-ৰাষ্ট্ৰীয় লোক আদালতৰ ব্যৱস্থা কৰা হৈছে। যিসকল লোকে বৰ্তমানলৈকে প্ৰাক-ৰাষ্ট্ৰীয় লোক আদালতত ভাগ লোৱা নাই তেওঁলোকৰ বিভিন্ন আপোচযোগ্য ফৌজদাৰী গোচৰ, বিবাহজনিত গোচৰ, চেক বাউন্স, যান-বাহন আইন ১৯৮৮ৰ অধীনৰ গোচৰ, বেংকৰ ঋণ আদায়, বিজুলী বিল আদায় সম্বন্ধীয় প্ৰাক-মোকৰ্দমা গোচৰসমূহ লোক ৰাষ্ট্ৰীয় লোক আদালতত মীমাংসাৰ বাবে লোৱা হৈছে। মাজুলী জিলা আইনসেৱা প্ৰাধিকৰণৰ অধ্যক্ষ আৰু সচিবে আজি সংবাদমেলৰ জৰিয়তে সমাগত ৰাষ্ট্ৰীয় লোক আদালতত অংশগ্ৰহণ কৰি ন্যায় ব্যৱস্থাক তৰান্বিত কৰি তুলিবলৈ মাজুলীবাসীৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে, ছানৰাইজাৰ্ছ হায়দৰাবাদ ১০ পইণ্টেৰে পইণ্ট তালিকাৰ তৃতীয় স্থানত থকাৰ বিপৰীতে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু মাথোঁ ২ পইণ্টেৰে অন্তিম স্থানত আছে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বেটাৰ বিৰাট কোহলীয়ে ৮খন খেলত ৩৭৯ ৰান সংগ্ৰহ কৰি অৰেঞ্জ কেপ এতিয়ালৈকে তেওঁৰ দখলত ৰাখিছে।

০০০০০০০০